# বিয়ানামত সাহিত্যিক সৌন্দৰ্য ঃ এক বিশ্লেষণ

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয় অসমীয়া বিভাগৰ চতুৰ্থ
ষাণ্মাষিকৰ **MA-ASM-04-406(A)** কাকতৰ বাবে দাখিল কৰা

ক্ষুদ্ৰ গৱেষণা গ্ৰন্থ


তত্ত্বাৱধায়ক

ড° চাহিন জাফ্ৰি
সহকাৰী অধ্যাপক
অসমীয়া বিভাগ
মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়,
নগাঁও

প্ৰস্তুতকৰ্তা

শ্ৰুতিপৰ্ণা গগৈ
স্নাতকোত্তৰ চতুৰ্থ ষাণ্মাষিক
অসমীয়া বিভাগ
ৰোল নং- **AS-14/23**
মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়,
নগাঁও

অসমীয়া বিভাগ
মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়
MAHAPURUSHA SRIMANTA SANKARDEVA VISWAVIDYALAYA
Recognized Under Section 2 (f) of UGC Act . 1956
Srimanta Sankardeva Sangha Complex, Haladhar Bhuyan Path
Kalangpar,Nagaon, pin- 782001( Assam ), India

# তত্ত্বাৱধায়কৰ প্ৰমাণপত্ৰ

ইয়াৰ দ্বাৰা জনোৱা হয় যে, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ পাঠ্যক্ৰমৰ MA-ASM-04-406(A) কাকতৰ অংশ হিচাপে "**বিয়ানামত সাহিত্যিক সৌন্দৰ্য ঃ এক বিশ্লেষণ**" শীৰ্ষক গৱেষণা প্ৰকল্পটো সম্পন্ন কৰিছে। গৱেষণা কৰ্ম কৰি পোৱা সিদ্ধান্তসমূহ তেওঁৰ নিজা আৰু এই প্ৰকল্পটো কোনো অংশ আন কোনো বিশ্ববিদ্যালয় বা অনুষ্ঠান ডিগ্ৰীৰ বাবে ব্যৱহাৰ কৰা হোৱা নাই।

তাৰিখ ঃ

স্থান ঃ

ড° চাহিন জাফ্ৰি
সহকাৰী অধ্যাপক
অসমীয়া বিভাগ
মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়
নগাঁও

# <u>ঘোষণাপত্ৰ</u>

মই, শ্ৰুতিপৰ্ণা গগৈয়ে জনাওঁ যে স্নাতকোত্তৰ চতুৰ্থ ষান্মাসিকৰ অসমীয়া বিভাগৰ অন্তৰ্গত MA-ASM-04-406(A) কাকতৰ বাবে "**বিয়ানামত সাহিত্যিক সৌন্দৰ্য ঃ এক বিশ্লেষণ**" শীৰ্ষক গৱেষণা প্ৰকল্পটো ব্যক্তিগত প্ৰচেষ্টাত প্ৰস্তুত কৰা হৈছে।

**শ্ৰুতিপৰ্ণা গগৈ**
স্নাতকোত্তৰ চতুৰ্থ ষান্মাষিক
অসমীয়া বিভাগ
ৰোল নং- AS-14/23
মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়,
নগাঁও

# কৃতজ্ঞতা স্বীকাৰ

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয় (নগাঁও চৌহদ)ৰ অসমীয়া বিভাগৰ পাঠ্যক্ৰমৰ অধ্যাপক ড° চাহিন জাফ্ৰি বাইদেৱে এই প্ৰকল্প পত্ৰখনত সহায়ৰ হাত আগবঢ়াইছে তাৰবাবে তেখেতলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে বিভিন্ন ক্ষেত্ৰত সহায় কৰা বিভাগৰ সহপাঠীসকললৈও কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

**শ্ৰুতিপৰ্ণা গগৈ**
স্নাতকোত্তৰ চতুৰ্থ ষান্মাষিক
অসমীয়া বিভাগ
ৰোল নং- AS-14/23
মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়,
নগাঁও

# ভূমিকা

বিয়ানামৰ সাহিত্যমূল্য বুজিবলৈ, প্ৰথমতে ইয়াৰ ভূমিকা অংশৰ গভীৰতা উপলব্ধি কৰা প্ৰয়োজন। এই অংশটোতেই মূলত বিয়ানামৰ গাঁঠনি গঢ় লৈ উঠে, য'ত কাহিনীৰ সূচনা, আৱেগৰ বীজ ৰোপণ কৰে। বিয়ানামত অধিকাংশ ক্ষেত্ৰতে এটি উৎসৱজনিত উল্লাসৰ সৈতে এটা অন্তৰ্নিহিত বেদনাৰ মিলন দেখা যায়। কইনা ঘৰৰ এগৰাকী 'অমূল্য ৰত্ন' যাক বহু সাৱধানে লালন-পালন কৰি ডাঙৰ হৈছে। এই বৰ্ণনাত এটা গভীৰ সাহিত্যিক সৌন্দৰ্য প্ৰকাশ পায়।

# সূচীপত্ৰ


**০.০ অৱতৰণিকা**

০.১ বিষয়ৰ পৰিচয়

০.২ অধ্যয়নৰ উদ্দেশ্য

০.৩ অধ্যয়নৰ গুৰুত্ব

০.৪ অধ্যয়নৰ পদ্ধতি

০.৫ অধ্যয়নৰ পৰিসৰ

০.৬ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা

**প্ৰথম অধ্যায় ঃ**

১.০০ অসমীয়া লোকগীতৰ চমু আভাস

১.০.১ বিয়ানামৰ প্ৰকাৰ

১.০.২ বিয়ানামৰ বিষয়বস্তু

**দ্বিতীয় অধ্যায় ঃ**

২.০০ বিয়ানামৰ সাহিত্যিক সৌন্দৰ্য

২.০.১ বিয়ানামত ৰসৰ সমাৱেশ

২.০.২ বিয়ানামত ছন্দৰ প্ৰয়োগ

২.০.৩ বিয়ানামত অলংকাৰ

২.০.৪ বিয়ানামত প্ৰতিফলিত প্ৰতীক আৰু চিত্ৰকল্প

২.০.৫ বিয়ানামৰ ভাষা

**তৃতীয় অধ্যায় ঃ**

৩.০০ বিয়ানামত লোকসমাজৰ প্ৰতিফলন

৩.০.১ বিয়ানামত লোকাচাৰ আৰু লোকবিশ্বাস

৩.০.২ বিয়ানামত নাৰীমন

**চতুৰ্থ অধ্যায় ঃ**

৪.০০ সাম্প্ৰতিক প্ৰেক্ষাপটত বিয়ানামৰ ভূমিকা

**উপসংহাৰ**

**সিদ্ধান্ত**

**গ্ৰন্থপঞ্জী**

**পৰিশিষ্ট**

## ০.০ অৱতৰণিকা ঃ

### ০.১ বিষয়ৰ পৰিচয় ঃ

বিয়ানাম হৈছে লোকসাহিত্যৰ এটা অপৰিহাৰ্য অংগ। লোকসাহিত্য হৈছে কোনো বিশেষ জনসমষ্টি বা লোকসমষ্টিৰ সংস্কৃতি বা উপসংস্কৃতিৰ দ্বাৰা ভাগ কৰা প্ৰকাশভংগী সংস্কৃতি। সমাজ জীৱনৰ বিভিন্ন লোক-সাংস্কৃতিক সমল আৰু সমাজৰ উত্থান-পতন ইয়াৰ মাজত সোমাই থাকে। ই হৈছে সৰ্বসাধাৰণ মানুহৰ সুখ-দুখ, হৰ্য-বিষাদ, প্ৰেম-বিৰহ, আবেগ-অনুভূতি, অভিজ্ঞতা প্ৰকৃতি আদিৰে পুষ্ট এক প্ৰকাশভংগী। ই সমাজত পৰম্পৰাগতভাৱে মুখে মুখে প্ৰচলিত হৈ থকা এক লোক বিশ্বাসৰ প্ৰতিচ্ছবি। লোক সাহিত্যসমূহৰ ৰূপ কাহিনী, গীত, আখ্যান, পটন্তৰ, বেলাড আদিৰ আকাৰে সমাজ প্ৰচলন হৈ থাকে।

লোক সাহিত্য হ'ল মানৱ জীৱনৰ যুগ যুগ ধৰি সঞ্চিত অভিজ্ঞতা অনুভূতিৰ আবেগিক প্ৰতিফলন। লোক সাহিত্যত সমাজ আৰু যুগ ভেদে ৰূপৰ বিভিন্নতা দেখা যায়। ইয়াত সময়ৰ প্ৰভাৱ দেখা যায়। ইয়াক এক গণ্ডীৰ ভিতৰত ধৰি ৰাখিব নোৱাৰি। ই চলন্ত। মানুহৰ মুখে মুখে অনন্ত কালৰপৰা লোক সাহিত্য বিভিন্ন শব্দৰ পলস পৰি, কল্পনাৰ ৰহন বুলাই বোৱতি নদীৰ দৰে গতি কৰি আছে।

সত্যেন্দ্ৰনাথ শৰ্মাই অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্তত অসমীয়া লোকসাহিত্যক তলত দিয়া ধৰণে ভাগ কৰিছে—

ক) লোকগীত

খ) ফকৰা-যোজনা আৰু প্ৰৱচন

গ) সাধু কথা

এই লোকগীতৰে এটা অনুষ্ঠানমূলক ভাগৰ ভিতৰুৱা হৈছে বিয়ানাম। বিয়ানাম অসমীয়া বিবাহ সংস্কৃতিৰ এটা অবিচ্ছেদ্য অংশ, যিটো বিভিন্ন উৎসৱত গীতৰ মাধ্যমেৰে পালন কৰা হয়। ই অসমীয়া লোকসংস্কৃতিৰ এটি অনন্য উপাদান। বিয়ানামে সমাজৰ ঐতিহ্যত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

বিয়ানাম অসমীয়া বিবাহ অনুষ্ঠানত, বিভিন্ন সময়ত আয়তীসকলে গোৱা মাংগলিক গীত। এই বিয়ানামবোৰ বিবাহ অনুষ্ঠানত বিভিন্ন সময়ত গোৱা হয়। যেনে— কইনা উলিয়াই দিয়া সময়ত, পানী তোলাৰ সময়ত, দৰা আদৰোতে হোমৰ গুৰিত বহোতে বিধে বিধে এই গীতবোৰ গোৱা হয়।

অসমীয়া লোকজীৱনত বিয়ানামৰ গুৰুত্ব অপৰিসীম। বিয়ানাম হ'ল অনাখৰী লোকৰ বিখ্যাত ৰচনা। বিয়ানামসমূহে অসমীয়া বিয়া এখন সম্পূৰ্ণ কৰে। বিয়ানামবোৰত দাম্পত্য জীৱনৰ আদৰ্শ, দৰা-কইনাৰ ৰূপ-যৌৱন, নাৰী জীৱনৰ আশা-আকাংক্ষা, ঘৰুৱা জীৱনৰ বিভিন্ন দিশ প্ৰতিফলিত হয়। বিয়ানামত দেখিবলৈ পোৱা যায় অসমীয়া নাৰী সমাজৰ সৰলতা, ভক্তি আৰু প্ৰেমৰ নিবিড়তা, প্ৰিয়জনৰ সৈতে মিলন আৰু আসন্ন বিচ্ছেদৰ কৰুণ যন্ত্ৰণা। আয়তীসকলৰ কল্পনা আৰু মধুৰ উপমাৰ প্ৰয়োগেৰে বিয়ানামবোৰ অন্তৰস্পৰ্শী কৰি তোলে।

**০.২ অধ্যয়নৰ উদ্দেশ্য ঃ**

- বিয়ানামৰ সাহিত্যিক সৌন্দৰ্য কিদৰে হৈছে সেই বিষয়ে অধ্যয়ন কৰা।
- সাম্প্ৰতিক প্ৰেক্ষাপটত বিয়ানামৰ ভূমিকা সম্পৰ্কে অধ্যয়ন কৰাও এক উদ্দেশ্য।
- বিয়ানামৰ জৰিয়তে অসমীয়া সংস্কৃতি আৰু পৰম্পৰাসমূহ হৃদয়ঙ্গম হয়।

**০.৩ অধ্যয়নৰ গুৰুত্ব ঃ**

এই অধ্যয়নৰ গুৰুত্বসমূহ হৈছে—

- বিয়াৰ লগত জড়িত পৰম্পৰাগত নীতি-নিয়মসমূহ জনাৰ গুৰুত্ব আছে।
- গ্ৰাম্য সমাজৰ চিত্ৰসমূহৰ প্ৰকাশৰ গুৰুত্ব আছে।
- এই অধ্যয়নৰ গুৰুত্ব হৈছে বিয়ানামত সাহিত্যিক সৌন্দৰ্যৰ মাধ্যমেৰে অসমীয়া সমাজৰ সংস্কৃতি পৰম্পৰাক বিশদভাৱে বুজা যায়।
- বিয়ানামৰ সাহিত্যিক সৌন্দৰ্যৰ পৰ্যালোচনা কৰাৰ জৰিয়তে অসমীয়া ভাষাৰ বৈচিত্ৰ আৰু সাহিত্যৰ ধাৰাসমূহৰ বিষয়ে জানিব পাৰি।

**০.৪ অধ্যয়নৰ পদ্ধতি ঃ**

প্ৰস্তাৱিত গৱেষণা কৰ্মৰ বাবে বিশ্লেষণাত্মক পদ্ধতি অৱলম্বন কৰা হ'ব আৰু প্ৰয়োজন সাপেক্ষে বৰ্ণনামূলক পদ্ধতিৰো সহায় লোৱা হ'ব।

**তথ্য আহৰণৰ উৎস ঃ**

ক) মুখ্য উৎস ঃ মুখ্য উৎস হিচাপে গাঁৱে-ভূঞে প্ৰচলিত বিয়ানামসমূহ লোৱা হৈছে।

খ) গৌণ উৎস ঃ গৌণ উৎস হিচাপে বিভিন্ন গ্ৰন্থ আৰু গৱেষণা পত্ৰিকাৰ, ইণ্টাৰনেটৰ সহায় লোৱা হৈছে।

**০.৫ অধ্যয়নৰ পৰিসৰ ঃ**

আমাৰ এই ক্ষুদ্ৰ গৱেষণাটি অসমীয়া লোকগীতৰ চমু পৰিচয়, সাহিত্যিক সৌন্দৰ্য বিচাৰ কৰাৰ লগতে ইয়াত লোকসমাজৰ প্ৰতিফলন, লোকাচাৰ আৰু লোকবিশ্বাস, নাৰীমন আদিক সামৰি আলোচনা কৰা হ'ব আৰু অধ্যয়নৰ ক্ষেত্ৰ হিচাপে চৰাইদেউ জিলাৰ বৰহাট অঞ্চলক বাচি লোৱা হৈছে।

## ০.৬ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা ঃ

১। মহেশ্বৰ নেওগৰ ‘অসমীয়া সাহিত্যৰ ৰূপৰেখা’ত বিয়ানামৰ বিষয়ে আৰু ইয়াত প্ৰকাশিত ৰসৰ বিষয়ে আলোচনা কৰা দেখা গৈছে।

২। শশী শৰ্মাৰ ‘অসমৰ লোকসাহিত্য’ত বিয়ানামত প্ৰকাশিত হোৱা বিভিন্ন লোকবিশ্বাসৰ কথা উল্লেখ কৰা দেখিবলৈ পোৱা গৈছে।

৩। ড° নাৰায়ণ দাস আৰু ড° পৰমানন্দ ৰাজবংশীদেৰৰ সম্পাদনাত ৰচিত ‘অসমৰ সংস্কৃতি কোষ’ গ্ৰন্থত বিয়াৰ পানীতোলা নিয়মৰ বিয়ানামসমূহৰ বিষয়ে উল্লেখ থকা দেখা গৈছে।

৪। মহেশ্বৰ নেওগৰ ‘অসমীয়া গীতি সাহিত্য’ কিতাপখনত গীতি-সাহিত্যৰ বিষয়ে সুন্দৰকৈ বৰ্ণনা কৰিছে।

## ১.০০ অসমীয়া লোকগীতৰ চমু আভাস ঃ

অসমীয়া লোকগীত হৈছে অসমৰ সমাজ জীৱন, সংস্কৃতি, পৰম্পৰা আৰু ইতিহাসৰ এক গভীৰ সংগীতমূলক অভিব্যক্তি। এই গীতসমূহ মৌখিক পৰম্পৰাৰ জৰিয়তে প্ৰজন্মৰ পৰা প্ৰজন্মলৈ পৰিবাহিত হৈছে। ই অসমৰ সাধাৰণ মানুহৰ দৈনন্দিন জীৱন, বিশ্বাস, আৱেগ, আনন্দ-বেদনাৰ কথা বৰ্ণনা কৰে।

লোকগীত কেৱল সাংগীতিক এক মাধ্যম নহয়, ই হৈছে অসমৰ আমাৰ শব্দ। ই অসমৰ জনজীৱনৰ জীৱন্ত দলিল, যি যুগে যুগে মানুহৰ মুখে মুখে জীয়াই থাকে। অসমীয়া লোকগীতসমূহৰ কিছু বৈশিষ্ট্য থকাও দেখিবলৈ পোৱা যায়। লোকগীতসমূহ সাধাৰণতে লিখিত নহয়, মুখে মুখে এক প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ পৰম্পৰাগতভাৱে প্ৰবাহিত হৈ আহে। এই গীতসমূহ সাধাৰণ, দৈনন্দিন ব্যৱহৃত ভাষাত ৰচিত হয়। ইয়াৰ সুৰো সহজ-সৰল, সহজে গাব পৰা আৰু মনত ৰাখিব পৰা। লোকগীতত কৃষি, নদী, বন-জংঘল, ঋতু, বৃষ্টিসহ প্ৰাকৃতিক আৰু সামাজিক দিশসমূহ স্পষ্টভাৱে প্ৰকাশ পায়। বিভিন্ন ধৰ্মীয় আচাৰ-অনুষ্ঠান, উৎসৱ, বিবাহ, দুখ-আনন্দ ইত্যাদি লোকগীতৰ মুখ্য বিষয়। অসমৰ বিভিন্ন অঞ্চলৰ লোকগীতৰ ভাষা, সুৰ, ধ্বনি-ৰ মাজত বৈচিত্ৰ দেখা যায়। উদাহৰণস্বৰূপে— মৰাণ, মটক, ডিমাচা, চুতীয়া, মিচিং আদি জাতিৰ লোকগীতবোৰৰ নিজা নিজা ধৰণ আছে। বহুতো লোকগীত নাৰীৰ দৃষ্টিভংগীৰে ৰচিত। ইয়াত প্ৰেম-পিৰীতি, মিলন-বিৰহ, গৃহস্থলী জীৱনৰ কথা প্ৰধানভাৱে প্ৰকাশ পায়।

লোকগীতসমূহ কোনে কেতিয়া কি পৰিস্থিতিত ৰচনা কৰিছিল সেই বিষয়ে সঠিক তথ্য পোৱাটো কিছু কঠিন। কিয়নো লোকগীতসমূহৰ প্ৰধান স্ৰষ্টা বুলি ক'বলৈ আমি কাকো নাপাওঁ। এইসমূহ অতীজৰে পৰা কোনো অখ্যাত মানুহৰ মুখে মুখে চলি অহা দেখা গৈছে। সকলো মানুহৰ সভ্যতা আৰু সংস্কৃতিৰ কঠিয়াতলিতেই লোকগীতসমূহৰ জন্ম হৈছিল। ফলস্বৰূপে লোকগীতসমূহৰ ৰচনাৰ সময়সীমা নিৰ্ধাৰণ কৰাটো কঠিন। অৱশ্যে কিছুমান গীতত ৰচনাৰ সময়ৰ কিছু আভাস পোৱা যায়। যিবিলাক গীতত ইতিহাসৰ কথা, ৰজা-মহাৰজাৰ কথা, সেই সময়ৰ ভৌগোলিক পৰিৱৰ্তন, প্ৰাকৃতিক দুৰ্যোগ, সেই সময়ৰ সমাজৰ ৰীতি-নীতিৰ কথা উল্লেখ আছে সেই কথালৈ লক্ষ্য কৰি আমি ক'ব পাৰো যে তেনেধৰণৰ গীতসমূহে ইতিহাসৰ একো-একোটা অধ্যায় স্বৰূপ হ'ব পাৰে। সেই অনুযায়ী গীতসমূহৰ ৰচকক বিচাৰি নাপালেও ৰচনাৰ সময়ৰ কথা আমি কম-বেছি পৰিমাণে জানিব পাৰো। উদাহৰণস্বৰূপে— ফুলকোঁৱৰ-মণিকোঁৱৰৰ গীত।

লোকগীতসমূহৰ সুৰ হৈছে জীৱনৰ অন্তৰৰ পৰা নিগৰি অহা আৱেগৰ সুৰ। প্ৰকৃতিৰ সমল অনুকৰণত অন্তৰৰ পৰা নিগৰাই সৃষ্টি কৰা প্ৰকৃতিৰ সুৰ; সেই সুৰকেই লোকগীতৰ সুৰ বুলি ক'ব পাৰি।

বিষয়বস্তু অনুসৰি লোকগীতবোৰক ঘাইকৈ চাৰিটা ভাগত ভাগ কৰা হৈছে। সেইবোৰ ক্ৰমে — (১) অনুষ্ঠানমূলক গীত, (২) কৰ্মবিষয়ক গীত, (৩) আখ্যানমূলক গীত আৰু (৪) জুনা বা ধেমেলীয়া গীত।

অসমৰ বিভিন্ন উৎসৱ অনুষ্ঠানত এই শ্ৰেণীৰ গীতসমূহৰ প্ৰচলন দেখা পোৱা যায়। অসমীয়া লোকসমাজত দেৱ-দেৱীসকলক সন্তুষ্ট কৰি জীৱন-যাত্ৰা সুখময় কৰিবৰ অৰ্থে প্ৰাচীন কালৰে পৰা নানান পূজা উপাসনা চলি আহিছে। এইসমূহ গীতক ভক্তিমূলক গীত বুলি কোৱা হয়। এইসমূহ অনুষ্ঠানমূলক গীতৰ এটা ভাগ ভক্তিমূলকৰ ভিতৰত পৰে। এই অনুষ্ঠানমূলক গীতৰ আনটো ভাগ হৈছে ভক্তি নিৰপেক্ষ গীত। এই ভক্তি নিৰপেক্ষ গীতসমূহৰ ভিতৰত বিহুগীত, বিয়ানাম, মহোহো গীত, বহুৰঙী গীত ইত্যাদি।

ইয়াৰ পাছত লোকগীতৰ অন্যটো ভাগ হৈছে আখ্যানমূলক। এই গীতসমূহক তিনিটা শ্ৰেণীত ভাগ কৰিব পাৰি— বুৰঞ্জীমূলক, কিংবদন্তীমূলক বা জনশ্ৰুতিমূলক আৰু বাৰমাহী আৰু বিলাপৰ গীত।

নাহৰৰ গীত, চিকন সৰিয়হৰ গীত, হৰদত্ত বীৰদত্তৰ গীত, জয়মতী কুঁৱৰীৰ গীত আদি গীতে বুৰঞ্জীমূলক গীত ৰূপে অসমীয়া লোকগীতত স্থান লাভ কৰিছে।

মণিকোঁৱৰৰ গীত, ফুলকোঁৱৰৰ গীত, জনাগাভৰুৰ গীত, কমলা কুঁৱৰীৰ গীত আদি গীত কিংবদন্তী গীতৰ আধাৰত ৰচিত গীত।

বাৰমাহী আৰু বিলাপৰ গীতবোৰ প্ৰেমমূলক। ইয়াত শোকাভিভূত নাৰী হৃদয়ৰ কাৰুণ্যৰ চিত্ৰ প্ৰকাশ পাইছে। কনম বাৰমাহী, মধুমতীৰ গীত, সীতা বাৰমাহী আদি এনেধৰণৰ গীত।

কাল্পনিক কাহিনী আৰু গীতিধৰ্মী গুণেৰে সিক্ত জুনা এবিধ জনপ্ৰিয় লোকগীত। উজনি আৰু নামনি অসমৰ দুয়ো অঞ্চলতে ধেমেলীয়া গীত আছে। এইবিলাক বৰ্ণনামূলক নহয় আখ্যানমূলক।

লোকগীতসমূহ হৈছে এটা জাতিৰ আপুৰুগীয়া সম্পদ। পিছে আধুনিকতাৰ গ্ৰাসত, উপযুক্ত সংগ্ৰহৰ অভাৱত এই গীতবোৰ হেৰাই যাবলৈ ধৰিছে।

## ১.০১ বিয়ানামৰ প্ৰকাৰ ঃ

বিয়ানাম হৈছে অসমীয়া বিবাহ অনুষ্ঠানত গোৱা গীত। ইয়াত বিভিন্ন প্ৰকাৰৰ বিয়ানাম থাকে। তথাপি ইয়াৰ বিষয়বস্তুলৈ চাই দুটা ভাগত ভাগ কৰা হৈছে। উদাহৰণস্বৰূপে— (১) যোৰানাম, (২) সাধাৰণ বিয়ানাম।

অসমীয়া বিবাহ অনুষ্ঠানত পৰিৱেশন কৰা লঘু সুৰৰ কৌতুকপূৰ্ণ গীতসমূহক যোৰানাম বুলি কোৱা

হয়। নামনি অসমত এই গীতসমূহক খিচা গীত বুলিও কোৱা হয়। আয়তীসকলে যোৰানাম গাই বিয়াঘৰত এটা মোহনীয় পৰিৱেশৰ সৃষ্টি কৰিছে। যোৰানামসমূহত বিবাহৰ বিভিন্ন পৰ্যায় যেনে জোৰণ, দৰা-কইনা, বিবাহৰ বিভিন্ন ৰীতি-নীতি আদিৰ বিষয়ে উল্লেখ থাকে। এই গীতসমূহত হাস্য-কৌতুক আৰু আৱেগৰ মিশ্ৰণ দেখা যায়। যোৰানামবোৰক অসমীয়া লোকসাহিত্যৰ এক গুৰুত্বপূৰ্ণ অংশ হিচাপে গণ্য কৰা হয়। ই অসমীয়া সংস্কৃতিৰ এক অবিচ্ছেদ্য অংশ।

পৰিৱেশনৰ ওপৰত ভিত্তি কৰি যোৰানামসমূহক আমি দুটা ভাগত ভাগ কৰিব পাৰো। সেইকেইটা হৈছে—

- বৰবিয়াত গোৱা যোৰানাম বা ঠেলানাম।
- শৰাই বিচাৰি গোৱা যোৰানাম

বৰবিয়াত কইনাঘৰীয়া মানুহে দৰাঘৰীয়া মানুহক জোকাবলৈ যোৰানাম গায় আৰু দৰাঘৰীয়া মানুহেও যোৰানামৰ জৰিয়তেই কথাৰ উত্তৰ তেওঁলোকে দিয়ে। তলত উদাহৰণস্বৰূপে কেইটামান বিয়ানাম উল্লেখ কৰা হ'ল—

কইনাঘৰঃ ৰভা খুঁটা হেলেকা
দৰাঘৰৰ মানুহবোৰৰ চকুকেইটা টেলেকা

দৰাঘৰ ঃ টেলেকা যদি টেলেকা
আমি খোৱা পাতবোৰ তোমালোকে চেলেকা

কইনাঘৰঃ গছৰ তিতা ভেকুৰী
দৰাঘৰৰ মানুহবোৰ সাইলাখ বোন্দা মেকুৰী।

দৰাঘৰ ঃ চাদৰত দিয়া ৰাণীপাল
কইনাঘৰৰ নামতি কোন কলেজৰ প্ৰিন্সিপাল।

কইনাঘৰঃ আম খৰি কেঁচা
দৰাঘৰৰ মানুহবোৰ গছত থকা ফেঁকা।

দৰাঘৰ ঃ ব্ৰহ্মপুত্ৰৰ চাপৰি
কইনাঘৰৰ নামতি ৰাছিয়ান গাহৰি।[১]

১. তথ্যদাতা ঃ মনু চাংমাই

কইনাঘৰঃ আলুগুটি দম দম, কচুগুটি দম দম
দৰাঘৰৰ মানুহবোৰক ৰভাৰ খুঁটাত বান্ধি থ'ম।

দৰাঘৰ ঃ ৰেলৰ ডবা তেলৰ টিং
কইনাঘৰৰ নাক নহয় মহৰ শিং।

- অ' ৰঘুপতি,
  যোৰানাম গাবলৈ দিয়া অনুমতি।
  অ' ৰঘুপতি এখন তামোলেৰে
  অ' ৰঘুপতি বিয়াখন পাতিছে,
  অ' ৰঘুপতি মুহুদি নকৰা মচ হে
  অ' ৰঘুপতি যোৰানাম গাবলৈ দিয়া অনুমতি।।[২]

- তাপত আছে শিলিখা
  মেকুৰী কণিয়া,
  তাপত আছে শিলিখা
  পায়ো আনিলা
  ঢাপত আছে শিলিখা
  তামোলো আনিলা ধেনা হে
  ঢাপত আছে শিলিখা
  ৰাম তুমি টিলিকা
  আমাৰ বাইদেউ শকত ডাঙৰ
  সমাজতে জিলিকা।[৩]

- বেৰত বগাই মকৰা, বেঙেনা নামেৰে
  বেৰত বগাই মকৰা, গুটি নপচাবা
  বেৰত বগাই মকৰা, পিৰালিত নিদিবা ঠাই হে
  বেৰত বগাই মকৰা, দৰাৰে সখীয়েকজন ক'ৰ জানো অকৰা।[৪]

---

২. তথ্যদাতা ঃ গুণপ্ৰভা গগৈ
৩. তথ্যদাতা ঃ গুণপ্ৰভা গগৈ
৪. তথ্যদাতা ঃ গুণপ্ৰভা গগৈ

- বাঁহ খৰি এচলা, বাঁহ খৰি দুচলা
  দৰাৰে সখীয়েকৰ দাঁত কেইটা উচলা।
  আমাৰ বাইদেউ লখিমী, দেখিবলৈ শুৱনি
  ৰামৰে ভনীয়েকজনী বাঁহ তলৰ যখিনী।
  ৰেলৰ ডবা তেলৰ টিং
  ৰামৰ ভায়েকৰ নাক নহয় মহ'ৰ শিং।[৫]

- পকা কঁঠাল লপ ঠপ
  লাই হালে জালে
  পকা কঁঠাল লপ ঠপ
  আবেলি বতাহে
  পকা কঁঠাল লপ ঠপ
  দৰা ভায়েক বহি আছে
  মুখে কৰে কপ কপ।[৬]

- বগাকৈ বগলী লেডী ছাতি দাণ্ডি
  বহলাই বহিছে লেডী ছাতি দাণ্ডি
  ৰামৰ ভায়েক মান ধৰা
  আমাৰ হাতত বন্দী
  তেলৰ বটল কোঁকোলা,
  বন্দী হোৱা মান ধৰাক
  কোনে পাৰ মোকলা।[৭]

এনেদৰে বিভিন্ন ধেমেলীয়া কথাৰ অৱতাৰণা কৰি কইনাৰ ঘৰত ৰং-ধেমালি কৰা হয়। বৰবিয়াৰ লগতে তোলনী বিয়া বা শান্তি বিয়াটো যোৰানাম গোৱা হয়। এইধৰণৰ যোৰানামসমূহ সাধাৰণতে শৰাই বিচাৰি গায়। আয়তীসকলে যোৰানামৰ জৰিয়তে খুৰা-খুৰী, মামা-মামী, মহা-মাহী, পেহা-পেহী আদি মিতিৰ-কুটুম্বক সমাজৰ মাজলৈ মাতি আনে। তেওঁলোকেও মাননিসহ তামোল-পাণ শৰাই আগবঢ়াই ৰাইজৰ আশীৰ্বাদ গ্ৰহণ

৫. তথ্যদাতা ঃ জোনালী কাকতি
৬. তথ্যদাতা ঃ জোনালী কাকতি
৭. তথ্যদাতা ঃ জোনালী কাকতি

কৰে। আয়তীসকলে গান গাই নচুৱাই আনন্দমুখৰ পৰিৱেশ এটাৰ সৃষ্টি কৰে। আয়তীসকলে বিহুনাম গাই সকলোকে নচুৱাৰ পাচতহে তেওঁলোকৰ শৰাই গ্ৰহণ কৰে। আয়তীসকলে প্ৰথমে গৃহস্থৰ পৰা যোৰানাম গাবলৈ অনুমতি বিচাৰি গায়—

"অ' ৰঘুপতি যোৰানাম গাবলৈ
দিয়ক অনুমতি"

তাৰপাছত একাদিক্ৰমে মিতিৰ-কুটুম্ব, বংশ পৰিয়ালক যোৰানাম যোৰা হয়। উদাহৰণস্বৰূপে—

আমডালি গাঁঠিছো, দৰ্জাই দৰ্জাই আঁৰিছো,
আইদেউৰ ককায়েকক সমাজলৈ মাতিছো
সমাজলৈ আহিবা, সুদা হাতে নাহিবা
দোকানৰ মৰ্টনে শৰাই ভৰাই আনিবা।।

উনাপি জুনাপি আমি অচিনাকী
আইদেউৰ মহায়েকে দিবনে চিনাকি,
আহকচোন মহাদেউ চিনাকি হওঁ
আপোনাৰ ঘৰৰে পৰিচয় লওঁ।[৮]

পুঠিমাছে কমালে, জেঙৰ তলত সোমালে
আদিদেউৰ মামীয়েকে পাউদাৰ ঘঁহি নাহিলে।
টেবুলতে পাউদাৰ থৈ, তাৰে অলপ ঘঁহি লৈ
ওলাই আহক মামীদেউ হাতত এখন শৰাই লৈ।[৯]

আকৌ যেতিয়া যোৰানাম যোৰা ব্যক্তিজনে সমাজলৈ ওলাই আহোতে পলম হ'লে আকৌ গায়—

চাকি ঐ লেম
আজিচোন দদাদৈৰে জুৰিছে ভেম।
যঁতৰৰ শলা, সঁচাকৈ মহাদেউৰ কাণ দুখন কলা

৮. তথ্যদাতা ঃ কুঞ্জলতা হাজৰিকা
৯. তথ্যদাতা ঃ কুঞ্জলতা হাজৰিকা

কলা যি কলা ঐ আচৰিত কলা
চিঞৰি থাকিলেও নুশুনা হ'লা।
বীণ বাজে বাজেনে তবলা বাজে বাজেনে
এখই শৰাই সজাওঁতেই ইমান সময় লাগেনে?

ধুনীয়া গোলাপ ফুল ফুলেনে ডালত
ধুনীয়া ঘড়ীটো পেহাদেউৰ হাতত।
দিনটোত দুবাৰকৈ কাপোৰ যোৰ সলাই
কাকৈখন নহ'লে ৰাস্তালৈ নোলাই।[১০]

মুগাৰিহাৰ খুচনি, আইদেউৰ বনায়েক মণিপুৰৰ নাচনি।
ৰংঘৰৰ ৰঙিলী, পকাঘৰৰ খিৰিকি
আইদেউৰ এনায়েকে গাড়ীত আহে জিলিকি।[১১]

শৰাই গ্ৰহণ কৰি আশীৰ্বাদ দি আয়তীয়ে গায়—

বনে বনে ফুৰিলো, বনৰ মালা গাঁঠিলো,
বেয়া নাপাব দেই, ধেমালীহে কৰিলো।
চৰাই উৰি পূৰলৈ ৰাতি আহে বাহলৈ
আশীৰ্বাদ কৰিছো কুশলে থাকিবলৈ।।

বিবাহ উৎসৱৰ বিভিন্ন উপলক্ষৰ লগত ৰজিতা খুৱাই থিতাতে ৰচনা কৰি বিয়ানামসমূহ পৰিৱেশন কৰা হয় যদিও এইবোৰৰ মাজেৰে নাৰীমনৰ বিচিত্ৰ অনুভূতি প্ৰকাশ পায়। বৰ্তমান সময়ত বিয়ানামসমূহৰ বিভিন্ন সংগ্ৰহ প্ৰকাশ পাইছে। জনসমাজ মুখৰিত কৰি তোলা এই বিয়ানামসমূহক নাৰীসকলৰ একচেটিয়া সম্পত্তি বুলি ক'ব পাৰি।

বিয়ানামবোৰ বিবাহৰ বিভিন্ন পৰ্যায়ত গোৱা হয় আৰু ইয়াৰ মাজেৰে নাৰীৰ মনৰ ভাব, পৰম্পৰা আৰু

১০. তথ্যদাতা ঃ ভাৰতী বৰা
১১. তথ্যদাতা ঃ ভাৰতী বৰা

সামাজিক ৰীতি-নীতিক প্ৰকাশ কৰা হয়। এনেধৰণে বিয়ানামসমূহ বিভিন্ন সময়ত যেনে— জোৰোণৰ সময়ত, পানী তোলাৰ সময়ত, গা ধুওৱাৰ সময়ত, মূৰত চাউল দিয়াৰ সময়ত, দৈয়ন দিয়া সময়ত, আদি সময়ত বিভিন্ন ধৰণৰ বিয়া নাম গোৱা হয়।

জোৰোণ আদৰিবলৈ যাওঁতে আয়তীসকলে উৰুদি দি বিয়ানাম গায়—

ধূপ-ধূনা জ্বলোৱা শৰাইখনি সজোৱা
জোৰোণ আহি বৈ আছে
কইনা মাকক উলিওৱা।
দুলা আনা দুলীয়া
জাপি আনা লগুৱা,
জোৰোণ আহি বৈ আছে
আদৰোঁগৈ ওলোৱা।।

আগৰখন ভাৰতে কি কি আনিছে
ঐ ৰাম চোতালৰ মূৰতে থোৱা হে,
পিছৰখন ভাৰতে কি কি আনিছে,
ঐ ৰাম সমাজৰ মাজতে থোৱা হে।।[১২]

ওলাই আহা আইদেৰে
ঐ শশী, দুৱাৰদলিৰ বাজে,
ঘৰতে পিন্ধাব লাগে
ঐ শশী, নকৰিবা লাজে।।[১৩]

যেতিয়া জোৰোণত অনা অলংকাৰ কইনাক পিন্ধোৱা হয় তেতিয়া আয়তীসকলে গায়—

মাৰাৰ অলংকাৰ থোৱা কাটি কৰি
ঐ ৰাম দেউতাৰাৰ অলংকাৰ থোৱা হে,

১২. তথ্যদাতা ঃ ভাৰতী বৰা
১৩. তথ্যদাতা ঃ ভাৰতী বৰা

ৰামে দি পঠাইছে বিচিত্ৰ অলংকাৰ
ঐ ৰাম হাতে জোৰে কৰি লোৰা হে।।

সমাজৰ মাজতে বহাহি আহি,
বোৱাৰী সাজেৰে সজাই দিম আমি।
খোপাটো বান্ধি দিম ওখকৈ তুলি,
কাপোৰযোৰ পিন্ধাই দিম ধুনীয়া কৰি।।

বাঁহ গাজৰ খৰিছা
জীয়াৰী জীৱনৰ সামৰণি মাৰিছা
বোৱাৰী জীৱনৰ পাতনিহে মেলিছা।।

আজি বাইদেউৰ সৌভাগ্যৰ দিন,
শিৰত সেন্দুৰ ল'লা তুমি সৌন্দৰ্যৰ চিন।
আজি বাইদেউৰ জোৰোণখনি
কাইলৈ বাইদেউৰ বিয়া,
শিৰত সেন্দুৰ লোৱা দেখি
দেউতাৰ ভাগে হিয়া।
আজি বাইদেউৰ জোৰোণখনি
কাইলৈ বাইদেউৰ বিয়া,
পৰহিলৈ ওলাই যাব
এইখন ঘৰৰ পৰা।।[১৪]

১৪. তথ্যদাতা ঃ কল্পনা তামুলী

গুৱাহাটী মেডিকেল, নেকলেচ দিছে কেমিকেল,
কিনো বাইদেউ আজলি,
কেমিকেলৰ নেকলেচডাল
সোণৰ বুলি পিন্ধিলি।।
কল খোৱা বাদুলি,
কাইলৈ ভিনদেউক ৰাখি থম
নেকলেচ ডালৰ সলনি।।[১৫]

কল খাই পেলালে কলৰে গুটি
কাপোৰযোগ আনিছে আইদেউলৈ ছুটি।
সেইযোৰ কাপোৰ বাৰু কেনেকৈ পিন্ধা
ভিনদেউ আহিলে ওভোতাই দিবা।
ৰূপৰ চাকি মলা, সোণৰে গছা,
চেঙেলযোৰ আনিছে ভৰিলৈ নটা।
থৈ দে থৈ দে দুৱাৰৰ চুকত
সুদা ভৰিৰে যাবাগৈ ভিনদেউৰ লগত।।[১৬]

ৰাস্তা কাষৰ খাল বাম,
বাইদেউক দিয়া কাপোৰযোৰ
আমি পিন্ধি জকাই বাম।।[১৭]

বিয়াৰ দিনা সমাজৰ অন্য এক উল্লেখযোগ্য নিয়ম হ'ল পানী তোলা প্ৰথা। এই পানী তোলা প্ৰথাটো চাকি জ্বলোৱাৰ পৰা আদি কৰি শেষৰ সময়ৰ নিয়মলৈকে বিয়ানামসমূহ গোৱা যায়। এই প্ৰথা দুয়োঘৰতে সমাধা কৰা হয়। পানী তুলিবলৈ যোৱাৰ আগতে দুণৰিত চাকি জ্বলায়। উদাহৰণস্বৰূপে—

১৫. তথ্যদাতা ঃ ৰুণুমী গগৈ
১৬. তথ্যদাতা ঃ ৰুণুমী গগৈ
১৭. তথ্যদাতা ঃ ৰুণুমী গগৈ

মাটি চাকি জ্বলোৱা
দুনৰিটো সজোৱা
পানী তুলিবলৈ দৈৱকীক উলিওৱা।।

গংগাৰ জল আনোগৈ মাটিৰ চাকি জ্বলোৱা
আৰু জল আনোগৈ কাশীৰ হে
মাটি চাকি জ্বলোৱা
দুনৰিটো সজোৱা
পানী তুলিবলৈ দৈৱকীক উলিওৱা।।

সজোৱা দুনৰি ঘট মতাল কৰিয়া,
জ্বলোৱা সহস্ৰ চাকি গন্ধ তেল দিয়া।
কাৰে ঘট লোৱা ৰাধা মাথাই লোৱা মালা,
যমুনালৈ যাব লাগে নকৰিবা হেলা।
সেৱা কৰি তুলি লোৱা ধৰমৰ টেকেলি,
সন্ধ্যাতে তুলিব লাগে কিয় এতবেলি।।[১৮]

ওলাই আহা দৈৱকীয়ে ৰামৰ মহাদৈ,
শুভক্ষণে যাত্ৰা কৰি জল আনোগৈ।
ইপাৰৰ চাকনৈয়া সিপাৰৰে টৌ,
তামৰে কলচী ৰাধা, ভৰিলনে নৌ।।[১৯]

ফুল চন্দন তুলসী,
ভৰিল নে নভৰিল
ৰাধা তোমাৰ কলচী।।

বিয়াৰ দিনা পোহৰ হোৱাৰ পূৰ্বে পালন কৰা এটি লোকাচাৰ হৈছে দৈয়ন দিয়া। নিয়ম অনুসৰি বিয়ানাম গোৱা দেখা যায়। উদাহৰণস্বৰূপে—

১৮. তথ্যদাতা ঃ ৰুনুমী গগৈ
১৯. তথ্যদাতা ঃ ৰুনুমী গগৈ

ৰাম ৰাম আজি প্ৰভাততে
ৰাম ৰাম তোমাক দৈয়ন দিয়ে
ৰাম ৰাম পৰম মংগল কৰি হে
ৰাম ৰাম উঠা শ্যামকানু
ৰাম ৰাম মায়ে দৈয়ন দিব
ৰাম ৰাম কিয় কৰি আহা হেলা হে

এখন বিয়াত নাম আৰু উৰুলি অবিচ্ছেদ্য অংগ আৰু দুয়োটাই মাংগলিক কাৰ্য। নাম আৰু উৰুলিয়ে বিয়াখন উৎসৱমুখৰ আৰু সংগীতমুখৰ কৰি ৰাখে। বিয়ানাম অসমীয়া থলুৱা বা লোকগীতৰ এক অন্যতম উপাদান। ই আছিল অনাখৰী অখ্যাত লোকৰ বিখ্যাত ৰচনা।

## ১.০২ বিয়ানামৰ বিষয়বস্তু ঃ

বিয়ানাম হৈছে অসমীয়া বিবাহ অনুষ্ঠানত গোৱা একধৰণৰ লোকগীত। এই গীতবোৰে বিবাহৰ আনন্দ, মাংগলিক পৰিৱেশ আৰু লোকবিশ্বাসক প্ৰকাশ কৰে। ইয়াত দৰা-কইনাৰ শুভকামনা, পৰিয়ালৰ আনন্দ আৰু সামাজিক ৰীতি-নীতিৰ বৰ্ণনা থাকে। বিয়ানামৰ মূল বিষয়সমূহ হৈছে— বিবাহৰ মাংগলিকতা, দৰা-কইনাৰ শুভকামনা, সামাজিক ৰীতি-নীতি, পৰিৱেশ সৃষ্টি, লোকবিশ্বাস, নাৰী জীৱনৰ প্ৰতিফলন, যোৰানাম বা খিচা গীত, আদি। বিয়ানামবোৰত বিবাহৰ আনন্দৰ লগতে সমাজৰ বিভিন্ন দিশ যেনে নাৰীৰ মনস্তত্ব, লোকবিশ্বাস, সামাজিক ৰীতি-নীতি আদি প্ৰকাশিত হয়।

বিবাহৰ মাংগলিকতা মানে হৈছে আচলতে বিয়ানামৰ গীতৰ আঁৰে আঁৰে শুভ শক্তিৰ আহ্বান কৰে। গীতৰ শীৰ্ষত বা লগনত 'ঐ ৰাম', 'ৰাম', 'কৃষ্ণ', 'হৰি' জাতীয় মাংগলিক শব্দ শুনিবলৈ পোৱা যায়। লগতে দৰা-কইনাৰ গুণ-গৰিমা, বংশ মৰ্যাদা আদিৰ বিষয়ে বৰ্ণনা কৰা হয়। কেতিয়াবা গীতত কইনাৰ বিদ্যা-বুদ্ধি বা দৰাৰ গৃহকৰ্মৰ নিপুনতাৰ বৰ্ণনা কৰা হয়। উদাহৰণস্বৰূপে—

'হস্তত সুৰা নকৰে ধৰে,
কইনাজনী লক্ষ্মীৰ মৰা।'[২০]

নোৱাই চোলা, গাঁঠিয়ন খুন্দা, দৈয়ন দিয়া আদি গীতৰ দ্বাৰা সমাজিক ৰীতি-নীতিৰ প্ৰতিফলন ঘটে। এই গীতবোৰ লোকৰীতিৰ মৌলিক অধ্যায় সংৰক্ষণ কৰে। ঢোল, পেঁপা, তালি আৰু কণ্ঠ সংগীতেৰে এক উল্লাসময় পৰিৱেশ গঢ়ি উঠে। এই গীতত সকলোৰে অংশ লোৱা দেখা যায়। বিয়াগীতত প্ৰকাশিত কিছুমান বিশ্বাসে সংস্কৃতিৰ আধ্যাত্মিক আৰু গাঁৱলীয়া সজাগতা প্ৰকাশ কৰে। বিয়ানামবোৰত মহিলাসকলৰ জীৱনৰ অভিজ্ঞতা আৰু অনুভূতিবোৰ প্ৰকাশ পায়। দৰাঘৰ আৰু কইনাঘৰৰ মাজত হোৱা কথোপকথন বা কৌতুকপূৰ্ণ

২০. তথ্যদাতা ঃ কুঞ্জলতা হাজৰিকা

গীতবোৰক যোৰানাম বা খিচাগীত বোলা হয়। বিয়ানামৰ ছন্দ অলংকাৰ, অনুপ্ৰাসৰ ছায়া থাকে। কেতিয়াবা প্ৰশ্নোত্তৰ আকাৰত গীত হয়, এজনে গায়, আনজনে উত্তৰ দিয়ে। একে গীত বিভিন্ন অঞ্চলত সুৰ, শব্দ আৰু শব্দত সামান্য পৃথক হয়। ই আঞ্চলিক ৰূপান্তৰৰ বৈচিত্ৰ।

বিয়ানাম কেৱল গীত নহয়, ই হৈছে অসমীয়া মহিলা সমাজৰ মৌখিক সংকলন। বিয়ানাম অসমীয়া বিবাহ অনুষ্ঠানৰ এক সাংস্কৃতিক গৌৰৱ— যি গীতৰ ছন্দত, সুৰত আৰু কথনশৈলীত সমাজ, ধৰ্ম, পৰম্পৰা, আনন্দ আৰু মনোবিজ্ঞান একেলগে মিশ্ৰিত থাকে।

## ২.০০ বিয়ানামৰ সাহিত্যিক সৌন্দৰ্য ঃ

বিয়ানাম হৈছে অসমীয়া লোকসাহিত্যৰ এক অপূৰ্ব ৰত্ন ভাণ্ডাৰৰ অংশ, যি মৌখিক সাহিত্যৰ ভিতৰত পৰে। বিয়ানামক কেৱল গীত হিচাপে নহয়, ভাষা-ছন্দ-অভিব্যক্তিৰ এক শিল্পৰূপ হিচাপে বিবেচনা কৰা যায়। এই গীতসমূহৰ সাহিত্যমূল্য বিশ্লেষণ কৰিলে দেখা যায়— ইয়াত ভাষাৰ সৌন্দৰ্য, ছন্দৰ নিয়ম, অলংকাৰ, লোক কল্পনা আৰু নাৰীকেন্দ্ৰিক অভিব্যক্তি অপূৰ্বভাৱে মিশ্ৰিত হৈছে।

বিয়ানামৰ ভাষা সৰল, প্ৰাঞ্জল আৰু হৃদয়স্পৰ্শী। সাধাৰণ মানুহৰ মুখৰ ভাষাতে এই গীত ৰচিত। স্থানীয় শব্দ, কাষৰীয়া ৰূপ, দৈনন্দিন কথোপকথনৰ ভংগী ইত্যাদি ব্যৱহাৰৰ ফলত ই প্ৰকৃতভাৱে লোকগীত। ইয়াত গীতৰ মাধুৰ্য আৰু ধৰ্মীয়ভাৱে প্ৰকাশ পায়। বিয়ানামত ৰূপক, উৎপ্ৰেক্ষা, উপমা আৰু চিত্ৰকল্প অলংকাৰৰ প্ৰচুৰ ব্যৱহাৰ থাকে। কইনাক তুলনা কৰা হয় জোন, লক্ষ্মী, সীতা আদিৰ সৈতে। আৰু দৰাক ৰাম, শিৱ, কৃষ্ণৰ লগত তুলনা কৰা হয়।

বিয়ানামত ব্যৱহৃত ভাষা সাধাৰণতে মিঠা, সুমধুৰ আৰু সহজ। ই সাধাৰণ মানুহৰ ভাষাত ৰচিত হৈও চিন্তাকৰ্ষক শব্দৰ ব্যৱহাৰে সাহিত্যিক মাধুৰ্য বৃদ্ধি কৰে। অসমীয়া বৌদ্ধিক সমাজে ইয়াক সাহিত্যিক ভাষাৰূপে স্বীকৃতি দিয়ে। বিয়ানামৰ মূল বৈশিষ্ট্য হ'ল ইয়াৰ ছন্দ-তাল। ই বিশেষ ধৰণৰ ছন্দত গোৱা হয়। এই ছন্দই মন-প্ৰাণ উল্লাসিত কৰে। বিয়ানাম একোটা কেৱল বিয়াৰ গীত নহয়, ই এক গভীৰ সাংস্কৃতিক অনুভৱ। কইনা বিদায়ৰ বেদনাৰ পৰা আৰম্ভ কৰি সামাজিক পৰিৱেশ, কামনা-বাসনা, আশা-আকাংক্ষা সকলো অনুভৱ বিয়ানামৰ মাজেৰে প্ৰকাশ পায়। বিয়ানামত অসমীয়া সমাজৰ সামাজিক বন্ধন, ধৰ্মীয় বিশ্বাস, নাৰী জীৱন, পুৰুষৰ ভূমিকা আদি স্পষ্টকৈ প্ৰতিফলিত হয়। বিয়ানামত সমাজৰ ধাৰণা, নাৰীবাদ, পুৰুষৰ দায়িত্ব, সংসাৰৰ বুজাবুজি আদি দৃষ্টিপাতযোগ্য। বিয়ানাম কেৱল গীত নহয়, ই লোকজ্ঞানৰ ভঁৰাল। ইয়াৰ মাজেৰে পুৰণি পৰম্পৰা, ধৰ্মীয় আচাৰ, সামাজিক ব্যৱস্থা আদি টিকাই ৰখা হৈছে।

বিয়ানামত সাহিত্যৰ কাব্যিকতা, সংগীতময়তা, আৱেগিক গভীৰতা আৰু সামাজিক প্ৰতিফলনৰ এক সুন্দৰ সমন্বয় দেখা যায়। ই কেৱল গীত নহয়, ই হৈছে জীৱন্ত সাহিত্য, যি যুগে যুগে অসমীয়া জীৱনৰ আৰ্হি, সংস্কৃতি সংৰক্ষণ কৰি আহিছে।

## ২.০১ বিয়ানামৰ ৰসৰ সমাৱেশ ঃ

বিয়ানামৰ সাহিত্যিক সৌন্দৰ্যৰ এটা মুখ্য অংগ হৈছে 'ৰস'। ৰস হৈছে পাঠক বা শ্ৰোতাৰ মনত উদ্বেগ হোৱা বিশেষ আনন্দ, আৱেগ, অনুভূতি ইত্যাদি। যিকোনো কাব্যিক বা সাহিত্যিক সৃষ্টিত ৰসেই প্ৰাণ আৰু

বিয়ানাম এই ক্ষেত্রত যথেষ্ট সমৃদ্ধ। অসমীয়া বিয়ানামত বিশেষকৈ নৱ ৰসৰ বহুতো উদাহৰণ দেখা যায়।

শৃংগাৰ ৰস বিয়ানামৰ আটাইতকৈ প্ৰধান ৰস। বিয়া অনুষ্ঠানৰ সময়ত কইনাৰ সৌন্দৰ্য, পতি-পত্নীৰ পৱিত্ৰ সম্পৰ্ক, কামনা-বাসনা আদিৰ সূক্ষ্ম অনুভৱ এই ৰসৰ দ্বাৰা প্ৰকাশ পায়। এই ৰস হৈছে সাহিত্যৰ আটাইতকৈ প্ৰাচীন আৰু মুখ্য ৰস, যাৰ মূল কেন্দ্ৰবিন্দু হ'ল— প্ৰেম, সৌন্দৰ্য আৰু ৰোমাঞ্চ। বিয়ানামত এই ৰস প্ৰচুৰ পৰিমাণত দেখা যায়।

শৃংগাৰ ৰসযুক্ত বিয়ানামত কিছু উদাহৰণ আৰু বিশ্লেষণ তলত দিয়া হ'ল।

বোৱাৰী আইল বগা ছাতি
ঘৰৰ ভিতৰ দিলে বাতি,
বগা চাদৰ পিন্ধি আইল,
হিয়া মোৰ হুলে খাইল।[২১]

ইয়াত 'বগা ছাতি' আৰু ঘৰৰ ভিতৰ দিলে বাতি' এই শব্দবন্ধবোৰে বোৱাৰীৰ আগমনে ঘৰখন যেন উজ্বলি উঠিল বুলি সূচায়। কইনাৰ সৌন্দৰ্য আৰু উপস্থিতিৰ উজ্জ্বলতা ধৰে। পতিৰ দৃষ্টিৰে কইনাৰ প্ৰেমময় উপস্থাপন হ'ল।

শৃংগাৰ ৰসৰ ক্ষেত্ৰত বিয়ানামৰ বিশেষত্ব সমূহ হৈছে—

সৌন্দৰ্যৰ কাব্যিক বৰ্ণনা— কইনাৰ ৰূপ, চুলি, আঁচলৰ গন্ধ।

প্ৰেম আৰু চাৱনিৰ সৌম্যতা — পতি-পত্নীৰ দৃষ্টিৰ আদান প্ৰদান।

লাজ, অভিমান— কইনাৰ মৌনতা, আঁতৰৰ পৰা চোৱা আচৰণ।

মানসিক আকৰ্ষণ — দৈহিকৰ বাহিৰে হৃদয়ৰ সম্পৰ্ক।

কইনাৰ পিতৃ ঘৰৰ পৰা বিদায়, আই-বোপাৰ বিচ্ছেদ, ভৱিষ্যৎ সংসাৰৰ চিন্তা আদি দুখৰ মুহূৰ্তবোৰ বিয়ানামত কৰুণ ৰসৰ মাধ্যমে প্ৰকাশ পাইছে। এই ৰস বিশেষকৈ বিদায় বিয়ানামত দেখা যায়।

উদাহৰণস্বৰূপে —

গেটৰ মুখৰ ডালিমজুপি
ভাটৌ পৰি খাই

২১. তথ্যদাতা ঃ গুণপ্ৰভা গগৈ

দেউতাই পোহা মইনাজনী
আনে লৈয়া যায়।।

ম'ৰা চৰাই চালি ধৰে
ঘৰৰ মুধত পৰি,
আমাক এৰি ক'লৈ যোৰা
হেৰা আইদেউ তুমি।।

আজি মেঘে গৰজে
কান্দিবলৈ সময় নাই
বুজাবলৈ ধৈৰ্য নাই
বেছি সময় নাই আৰু
তোমাক দিব উলিয়ায়।।

দেউতা তুমি নাকান্দিবা নাকান্দিবা কৈ
তোমাৰ ঘৰত জিৰাইছিলো
জিৰণীয়া মই।[২২]

বিয়ানামত কৰুণ ৰসৰ উপস্থিতি সকলোতকৈ অধিক হৃদয়স্পৰ্শী। কইনাৰ বিদায়ৰ সময়ত গোৱা এই গীতসমূহ কেৱল গীত নহয়, ই হৈছে মাতৃস্নেহ, কইনাৰ আশংকা আৰু পৰিয়ালৰ বেদনা। সেয়েহে কৰুণ ৰসাত্মক বিয়ানামৰ দ্বাৰা অসমীয়া সমাজৰ প্ৰেম-পৰিয়ালকেন্দ্ৰিক মানসিকতাক সাহিত্য ৰূপত ধৰা পৰিছে।

যদিও বিয়ানামত বীৰ ৰসৰ উপস্থিতি তুলনামূলক কম, তথাপি কেতবোৰ গীতক নতুন সংসাৰৰ দায়িত্ব লোৱাৰ মনোবল, নতুন পৰিৱেশত খাপ খাব পৰাৰ সাহস আদি বৰ্ণনাৰে এই ৰস প্ৰকাশ পায়।

বিয়ানামত প্ৰতিবাদৰ সুৰ খুব সূক্ষ্মভাৱে প্ৰকাশ পায়। বিশেষকৈ কইনাৰ অধিকাৰ, সমাজৰ বিৰুদ্ধে অভিযোগ আদিৰ মাধ্যমে ৰৌদ্ৰ ৰস প্ৰকাশ পোৱা যায়।

২২. তথ্যদাতা ঃ মনু চাংমাই

অসমীয়া বিবাহ অনুষ্ঠানত কিছুমান লঘু সুৰৰ কৌতুকপূৰ্ণ বিয়ানাম গোৱা হয়। এইসমূহক যোৰানাম বুলি কোৱা হয়। এইসমূহ গীতত হাস্য ৰসৰ উপাদান থাকে।

উদাহৰণস্বৰূপে—

আলু কাটো দম দম
পিঁয়াজ কাটি ক' থম
দৰা ঘৰৰ মানুহবোৰক
ৰভাৰ খুঁটাত বান্ধি থম।।[২৩]

ৰভাৰ খুঁটা হেলেকা
ৰভাৰ খুঁটা হেলেকা
কইনা ঘৰৰ মানুহবোৰৰ
চকুকেইটা টেলেকা।।[২৪]

বিয়ানামত অদ্ভূত ৰস মূলতঃ কইনাৰ মনৰ ভিতৰৰ অজান অনুভূতি, নতুন পৰিস্থিতিৰ লগত প্ৰথম মুখামুখি হোৱা অভিজ্ঞতা আৰু নতুন সংসাৰলৈ যাত্ৰাৰ আশংকাৰ জৰিয়তে প্ৰকাশ পায়। সঁচাকৈয়ে 'বিয়ানাম' এটা এনে অনুভৱৰ প্ৰকাশ, য'ত কইনাৰ অন্তৰৰ বিস্ময়, অজান ভৰিষ্যতৰ ভাবুকতা আৰু আশ্চৰ্য অভিজ্ঞতাসমূহে অদ্ভূত ৰসৰ সৃষ্টি কৰে।

কিন্তু বিয়ানামত ঈশ্বৰ, সতীত্ব, ধৰ্মীয় আচাৰৰ প্ৰতি ভক্তিৰ প্ৰকাশ দেখা যায়। কইনাৰ আত্মসমৰ্পণ, ভাগ্যৰ বিশ্বাস, সংসাৰৰ বাবে ত্যাগ আদিৰে শান্ত ৰস প্ৰকাশ পায়। ই বিশেষকৈ শেষত গোৱা দেখিবলৈ পোৱা যায়।

বিয়ানামত ৰসসমূহৰ এই সমন্বয়ে ইয়াক এক বহুমাত্ৰিক সাহিত্যিক সৃষ্টি হিচাপে গঢ়ি তোলে। বেলেগ সাহিত্যত কেতিয়াবা ৰস বিচ্ছিন্নভাৱে দেখা পায়, কিন্তু বিয়ানামত এগৰাকী কইনাৰ আৱেগ, প্ৰেম, দুখ, আশা, হাঁহি, প্ৰতিবাদ, ভক্তি সমগ্ৰ জীৱনচৰ্চা একেলগে ফুটাই তোলে। সেয়েহে বিয়ানাম কেৱল গীত নহয়, ই এক ৰস-ভৰা মানৱীয় কাব্য।

২৩. তথ্যদাতা ঃ জোনালী কাকতি
২৪. তথ্যদাতা ঃ জোনালী কাকতি

## ২.০২ বিয়ানামত ছন্দৰ প্ৰয়োগ ঃ

বিয়ানাম হৈছে লোকসাহিত্যৰ এটা ভাগ, য'ত বিয়াৰ সময়ত কইনাৰ অনুভূতি, পৰিৱৰ্তন, পৰিয়ালৰ আৱেগ, ধৰ্মীয় বিশ্বাস আদি ছন্দময় ভাষাত প্ৰকাশ পায়। এই শাৰীসমূহত ছন্দৰ ব্যৱহাৰেৰে গানৰ দৰে এক তাল, সুৰ আৰু গভীৰতা সৃষ্টি কৰা হয়। বিয়ানামত ছন্দৰ প্ৰয়োগ মূলতঃ শব্দৰ পুনৰাবৃত্তি, ধ্বনি মিল আৰু মাত্ৰা বা অক্ষৰৰ সংগতিৰ জৰিয়তে হয়। ছন্দৰ ব্যৱহাৰে আৱেগ আৰু সৌন্দৰ্য বঢ়ায়, যাৰফলত বিয়ানাম কেৱল এটি শাৰী নহয়, ই এক লোকগীতৰূপী কাব্য হৈ পৰে।

মিত্ৰাক্ষৰ ছন্দ প্ৰকাশ পোৱা বিয়ানামৰ উদাহৰণ হৈছে—

বাঁহৰ গাজৰ খৰিচা
জীয়াৰী জীৱনৰ সামৰণি মাৰিছা,
জীয়াৰী জীৱনৰ সামৰণি মাৰিছা,
বোৱাৰী জীৱনৰ পাতনিহে মেলিছা।।[২৫]

মাটি চাকি জ্বলোৱা
মাটি চাকি জ্বলোৱা
দোণৰিটি সজোৱা
পানী তুলিবলৈ দৈৱকীক উলিওৱা।।

ওলাই আহা দৈৱকীয়ে ৰজাৰ মহাদৈ
শুভক্ষণে যাত্ৰা কৰি জলে আনোগৈ।।

বিয়ানামত অমিত্ৰাক্ষয়ৰ ছন্দও দেখিবলৈ পোৱা যায়। যেনে—

গধূলি বেলিৰ পোহৰটো আজি
সপোনৰ দৰে আঁকি লৈ আহে
গাভৰুৰ ওঁঠত পলাশ ফুলি উঠে,
হাঁহিৰে চকুত জলৰ ধুন বাজে।[২৬]

২৫. তথ্যদাতা ঃ ৰুনুমী গগৈ
২৬. তথ্যদাতা ঃ ৰুনুমী গগৈ

মাকৰ হাঁহিৰে চকু কঁপে আজি,

বাপেকে চাব নোৱাৰে চকুত,

কনমানিজনী আজি নতুন ঘৰৰ

সপোনেৰে বাট মেলি গৈ আছে।।

ইয়াত প্ৰতিটো শাৰী প্ৰায় সমান দৈৰ্ঘ্যৰ ছন্দযুক্ত। ইয়াত কোনো শাৰীৰ শেষত অন্ত্যমিল নাই। যেনে— "আহে", 'বাজে', 'চকুত' 'আছে' ইত্যাদি। এইটো অমিত্ৰাক্ষৰ ছন্দৰ বৈশিষ্ট্য।

## ২.০৩ বিয়ানামত অলংকাৰ ঃ

অলংকাৰ শব্দৰ অৰ্থ হ'ল 'সাজসজ্জা'। সাহিত্যত অলংকাৰ মানে হৈছে ভাষা আৰু ভাবৰ সুন্দৰ সজ্জা। অলংকাৰৰ সহায়ত কাব্যিক ৰচনাত ৰস, সৌন্দৰ্য আৰু আবেগ অধিক সুস্পষ্ট আৰু স্পৰ্শযোগ্য হয়। বিয়ানামত অলংকাৰসমূহ মানুহৰ চিন্তা, সংস্কৃতি আৰু সমাজজীৱনৰ সৈতে গভীৰভাৱে জড়িত।

উপমা অলংকাৰত এটা বস্তু বা ভাব অন্য বস্তুৰ সৈতে তুলনা কৰা হয়। ইয়াত তুলনাৰ দ্বাৰা সৌন্দৰ্য সৃষ্টি কৰা হয়।

'গাভৰুৰ হাঁহি যেন গগন বিজুলী' ইয়াত গাভৰুৰ হাঁহিক গগনৰ বিজুলীৰ সৈতে তুলনা কৰা হৈছে। এই উপমাই গাভৰুৰ হাঁহিৰ উজ্জ্বলতা আৰু সৃষ্ট অনুভৱৰ সূচনা কৰে।

অতি সদৃশ হেতুকে উপমেয়ৰ ওপৰত উপমা আৰোপ কৰোতে অলংকাৰৰ সৃষ্টি।

আইদেউৰ বিদায়ৰ সময়ত

চকুত জলৰ ধুন বাজে

ইয়াত 'চকুত জল'ক সুৰ/ধুন হিচাপে ৰূপান্তৰ কৰা হৈছে। বাস্তৱতে চকুত জল (অশ্ৰু) নাবাজে, কিন্তু আবেগিক ৰস জগায়।

ব্যঞ্জনা অলংকাৰ বিয়ানামৰ আত্মাস্বৰূপ। ই মানুহৰ ভিতৰত লুকাই থকা দুখ, মৰম, আশংকা, আশা প্ৰকাশ কৰে। একে সময়তে হাঁহি আৰু চকুলোৰ প্ৰকাশ দেখুৱায়। এই অলংকাৰক মনৰ বিপৰীত মানসিক অৱস্থা একেলগে প্ৰকাশ পাইছে।

আন এবিধ অলংকাৰ হৈছে অনুপ্ৰাস অলংকাৰ। ইয়াত একে ধ্বনিৰ পুনৰাবৃত্তিৰে শব্দৰ সৌন্দৰ্য বৃদ্ধি কৰা হয়। উদাহৰণস্বৰূপে—

কল খাই পেলালে কলৰে গুটি

কাপোৰযোৰ আনিছে আইদেউলৈ চুটি

ধ্বনিৰ এই পুনৰাবৃত্তিয়ে বিয়ানামত এক ধ্বনি মাধুৰ্যৰ সৃষ্টি কৰে যি শুনিবলৈ মনোৰম হয়। ব্যঞ্জনা অলংকাৰত প্ৰত্যক্ষকৈ নহয়, গোপনে বিশেষ অৰ্থ বা অনুভৱ প্ৰকাশ কৰা হয়। যেনে—

গেটৰ মুখৰ ডালিমজুপি

ভাটৌ পৰি খায়,

দেউতাই পোহা মইনাজনী

উৰি গুচি যায়।।

প্ৰতীক অলংকাৰত এটা বস্তুৰ জৰিয়তে আন এটা বস্তুৰ গভীৰ অৰ্থ বহন কৰে।

বিয়ানাম একেবাৰে সহজ কাব্য নহয়, ই অসমৰ সামাজিক, সাংস্কৃতিক মানৱীক পৰম্পৰাৰ এক সজীৱ দলিল। অলংকাৰবোৰে এই বিয়ানামক অধিক আৱেগময় কৰি তোলে, আন্তৰিক অভিব্যক্তি কৰি তোলে। এইদৰে অলংকাৰসমূহ বিয়ানামৰ অন্তৰ্নিহিত সৌন্দৰ্যৰ মূল আধাৰ হৈ উঠে।

## ২.০৪ বিয়ানামত প্ৰতিফলিত প্ৰতীক আৰু চিত্ৰকল্প ঃ

বিয়ানামত প্ৰতীক আৰু চিত্ৰকল্পৰ ব্যৱহাৰ গুৰুত্বপূৰ্ণ, কাৰণ এইবোৰেই বিয়ানামৰ গভীৰতা, আৱেগ আৰু শিল্পময়তা গঢ়ি তোলে।

প্ৰতীক এনে এটা বস্তু যাৰ প্ৰত্যক্ষ অৰ্থৰ উপৰিও এটি গভীৰ অৰ্থ থাকে। উদাহৰণস্বৰূপে— বিয়ানামত বিশেষভাৱে গধূলি বেলি, সপোন, ফুল, ৰাস্তা, নতুন ঘৰ আদি শব্দৰ প্ৰয়োগ দেখা যায়। তাৰ অৰ্থ হৈছে— গধূলি বেলি প্ৰত্যক্ষতে সময়, কিন্তু প্ৰতীক হিচাপে জীৱনৰ সন্ধিক্ষণ। সপোন মানে কেৱল আশা নহয়, জীৱনৰ ভৱিষ্যৎ, জীৱনৰ নতুন যাত্ৰা, ফুল মানে গাভৰুৰ যৌৱন, ৰঙীণ সৌন্দৰ্য, লাজ, নতুন ঘৰ মানে পৰিৱৰ্তন, সামাজিক গঠন, দায়িত্ব আদি।

"গধূলি বেলিৰ পোহৰতো আজি

সপোনৰ দৰে আঁকি লৈ আহে"

'গধূলি বেলি' এটি সময়বিশেষ কিন্তু প্ৰতীক হিচাপে। কন্যাৰ জীৱনৰ এক সন্ধিক্ষণ, য'ত যৌৱন এক নতুন সমাজত প্ৰৱেশ কৰে।

চিত্ৰকল্প হৈছে এনে শব্দ বা ভাষা, যিয়ে পাঠকৰ চকুত এক দৃশ্য, শব্দ, গন্ধ, অনুভূতি বা স্পৰ্শৰ ছবি আঁকে। বিয়ানামৰ ধ্ৰুপদী ধ্বনি আৰু দৃশ্য সজোৱাৰ বাবে চিত্ৰকল্প অত্যন্ত প্ৰভাৱশালী। চিত্ৰকল্পই আখ্যানভিত্তিক দৃশ্যপট সজায়। শ্ৰোতাক, পাঠকক বাস্তৱ অনুভৱ দিব পাৰে। কইনাৰ জীৱনৰ এক প্ৰকৃত ছবি, ভয়, ত্যাগ, আশা, মৰম সকলো একেলগে দৰ্শায়।

বিয়ানামত সৰল কথাবোৰৰ মাজতে গভীৰ মনোভৱ, সমাজ-সংস্কৃতি, মানুহৰ অন্তৰ, এক শৈল্পিক-আৱেগিক ধ্বনি সৃষ্টি কৰে।

## ২.০৬ বিয়ানামৰ ভাষা ঃ

বিয়ানাম মুখে মুখে চলা লোকগীতি। সেইবাবে ইয়াৰ ভাষা কোনো উচ্চ সাহিত্যিক শব্দৰে ভৰপূৰ নহয়। ইয়াৰ পৰা হ'ল প্ৰাকৃতিক, সাধাৰণ মানুহৰ মুখৰ ভাষা, যাতে গাঁৱৰ আই, পিতাসকলেও বুজিব পাৰে আৰু গাব পাৰে। বিয়ানামৰ ভাষা হৈছে আন্তৰিক হৃদয়ৰ ভাষা। ই কন্যাৰ জীৱনৰ এক সন্ধিক্ষণ, দুখ আৰু আশাৰ সংগমবিন্দু। এইবোৰ ভাষাৰ দ্বাৰা নিপুণভাৱে প্ৰকাশ পায়। বিয়ানামত অঞ্চলভেদে আঞ্চলিক শব্দ, ধ্বনি, উচ্চাৰণ আৰু ছন্দ বিভক্ত। কিছুমান গাঁৱলীয়া ভাষাও এই বিয়ানামত সোমাই যেনে ঃ বোৱালি— বোৱাৰী।

কঁকাল কঁপে — ভয় বা দুখৰ প্ৰকাশ।

যিহেতু বিয়ানাম গীতৰ দৰে গোৱা হয়, সেইবাবে ইয়াৰ ভাষা হয়, ছন্দপূৰ্ণ, পুনৰুক্তিপূৰ্ণ আৰু ধ্বনি মাধুৰ্যসম্পন্ন।

হাঁহি হাঁহি আহে কন্যা,
চকুত চকুলো বাজে।

বিয়ানামত ব্যৱহৃত ভাষা চিত্ৰ আঁকে। মানে পাঠক বা শ্ৰোতাই যেন মনত দৃশ্য দেখিব পাৰে। উপমা, ৰূপক, ব্যঞ্জনা আদি অলংকাৰ একেবাৰে প্ৰাকৃতিকভাৱে ভাষাৰ অংশ হৈ থাকে। বিয়ানামৰ ভাষা সাংস্কৃতিক ৰীতি-নীতি, বিশ্বাস, ধৰ্মীয়তা আদি ৰূপ বহন কৰে। নতুন ঘৰ, পথ, আই-বাপেক ইত্যাদি শব্দ সমাজত কইনাৰ স্থান আৰু দায়িত্ব সোঁৱৰণ কৰায়।

ইয়াৰ ভাষা, লয়, তাল, ছন্দ অনুসৰি একে সময়তে আৱেগিক স্পন্দন কৰে। বাক্যবোৰ সাধাৰণতে দীৰ্ঘ নহয়। শব্দবোৰৰ শেষত 'এ', 'ই', 'আ' ধ্বনি থাকে। বিয়ানাম কইনাৰ ঘৰৰ পৰা বিদায়, মাক-বাপেকৰ

সোঁৱৰণি আৰু নতুন জীৱনৰ আশংকা আদি আৱেগেৰে পৰিপূৰ্ণ। সেই আৱেগবোৰ ভাষাৰ জৰিয়তে সহজে প্ৰকাশ পায়। বিয়ানাম গীতৰূপে গোৱা হয়, সেইবাবে শব্দ-বাক্যৰ ছন্দ, ধ্বনি আৰু তালৰ সৌন্দৰ্য অতি গুৰুত্বপূৰ্ণ। শব্দৰ পুনৰাবৃত্তি, অন্ত্যমিল আৰু তালবদ্ধতা দেখা যায়। বিয়ানামৰ ভাষাই সমাজৰ ধৰ্মীয়তা আৰু পৰম্পৰা বহন কৰে।

বিয়ানামৰ ভাষা হ'ল মানুহৰ অন্তৰৰ কণ্ঠস্বৰ, যিটো কোনো সাহিত্যিক আৰ্হিৰ বাধা নকৰে। সৰল ভাষাৰে সমাজ, সংসাৰ আৰু অনুভৱৰ জটিলতাও সঘনভাৱে প্ৰকাশ কৰে।

## ৩.০০ বিয়ানামত লোকসমাজৰ প্ৰতিফলন ঃ

বিয়ানাম এক বিশেষ লোকসংগীতৰ ধাৰা, অসমীয়া সমাজ আৰু সংস্কৃতিৰ অবিচ্ছেদ্য অংগ। বিয়ানামবোৰে সমাজৰ বিশ্বাস, আচাৰ-ব্যৱহাৰ আৰু নাৰীৰ মনস্তত্বক প্ৰতিফলিত কৰে। বিয়ানাম অবিহনে অসমীয়া বিবাহ অনুষ্ঠান অসম্পূৰ্ণ। বিয়ানামবোৰে সমাজৰ আচাৰ-ব্যৱহাৰ, বিশ্বাস আৰু মূল্যবোধক প্ৰতিফলিত কৰে। বিয়ানামৰ যোগেদি অসমীয়া সমাজে তেওঁলোকৰ ঐতিহ্য, সংস্কৃতি আৰু সামাজিক মূল্যবোধক সুৰক্ষিত কৰে। বিয়ানামে অসমীয়া সমাজত এক বিশেষ স্থান অধিকাৰ কৰি আছে। ইয়াৰ মাজেৰে নাৰী মনস্তত্ব আৰু নাৰী জীৱনৰ চিত্ৰণ কৰা হয়। বিয়ানামৰ যোগেদি অসমীয়া সমাজৰ ঐক্যতা আৰু বিভিন্ন জাতি-উপজাতিৰ লোকসকলৰ মাজত সম্প্ৰীতি বৃদ্ধি কৰাত সহায় কৰে।

বিয়ানামবোৰে বিবাহৰ বিভিন্ন ৰীতি-নীতি যেনে— কন্যাদান, আদিৰ বিষয়ে বৰ্ণনা কৰে আৰু এইবোৰৰৰ লগত জড়িত লোকবিশ্বাসসমূহ প্ৰকাশ কৰে। বিয়ানামে সমাজত থকা বিভিন্ন সামাজিক সম্পৰ্ক যেনে কন্যা আৰু পিতৃ-মাতৃ, কন্যা আৰু ভিনদেউ, কন্যা আৰু আইতা আদিৰ মাজৰ সম্পৰ্কবোৰ প্ৰকাশ কৰে। বিয়ানামবোৰে অসমীয়া সমাজত নাৰীৰ ভূমিকা আৰু তেওঁলোকৰ অনুভৱবোৰো প্ৰকাশ কৰে। বিয়ানামে পুৰণি কালৰ অসমীয়া লোকৰ জীৱনশৈলী, পোছাক, খাদ্য-পানী আদিৰ আভাস দিয়ে। বিয়ানামে বিবাহৰ আনন্দ, বিদায়ৰ বিষাদ, মিলনৰ আশা আদি বিভিন্ন অনুভূতিবোৰক সুন্দৰ ৰূপত প্ৰকাশ কৰে। সৰল অৰ্থত, বিয়ানাম হৈছে অসমীয়া সমাজৰ দাপোণ, য'ত সমাজৰ প্ৰতিচ্ছবি স্পষ্টভাৱে দেখা যায়।

বিয়ানামত কৰুণৰ লগতে হাস্যৰ অতি ওচৰ সম্বন্ধ। নামতীসকলৰ চকুৰ পানীত হাস্যৰসৰ জিলিঙণি পৰি অনেকটি গীতকে ৰামধেনুৰ সৃষ্টি নোহোৱাকৈ নাথাকে।[২]

অন্যান্য লোকসাহিত্যৰ দৰে বিয়াৰ গীতবোৰৰ কোনো সুনিৰ্দিষ্ট ৰচয়িতা নাই। কিন্তু জীৱনবোধ, সৌন্দৰ্যবোধ আৰু জাতীয় চেতনা অনুপম। বিয়াৰ ভিন ভিন সময়ত গোৱা গীতবোৰৰ মাজেদি ৰামায়ণ, মহাভাৰত আৰু ভাগৱত আদি পুৰাণৰ কথা কাহিনী আৰু চৰিত্ৰৰ ৰূপায়ন কৰে। আঞ্চলিকতাৰ ভেটিত বিয়াগীতৰ ধ্বনি বৈচিত্ৰ্য বাঢ়ে সঁচা, কাৰণ অঞ্চলে অঞ্চলে ধ্বনি বা উচ্চাৰণ হয় ভিন ভিন। কিন্তু ভাৱ বা বিষয়বস্তুৰ মাজত কোনো বিভেদ বা বৈষম্য নাই। প্ৰায় সমগ্ৰ অসমৰ গীতৰ ভাৱ বা বিষয়বস্তু এক আৰু অভিন্ন।

## ৩.০১ বিয়ানামত লোকাচাৰ আৰু লোকবিশ্বাস ঃ

বিয়ানাম হৈছে অসমীয়া বিবাহ অনুষ্ঠানৰ এক অবিচ্ছেদ্য অংগ, য'ত বিভিন্ন লোকাচাৰ আৰু লোকবিশ্বাস

জড়িত হৈ থাকে। বিবাহৰ সময়ত গোৱা গীতসমূহক বিয়ানাম বোলা হয়, য'ত সমাজৰ বিশ্বাস, আচাৰ-ব্যৱহাৰ আৰু লোককথাসমূহ প্ৰতিফলিত হয়।

বিয়ানামৰ লগত জড়িত কিছুমান লোকাচাৰ আৰু লোকবিশ্বাস এনেধৰণৰ—

বিবাহৰ পাছত কইনাই শহুৰেকৰ ঘৰত প্ৰৱেশ কৰাৰ সময়ত মাহ-প্ৰসাদ খোৱা হয়। ইয়াৰ দ্বাৰা নতুন পৰিয়ালটোলৈ সুখ-সমৃদ্ধি কামনা কৰা হয়। বিয়ানামবোৰত বিভিন্ন লোকবিশ্বাসৰ কথা উল্লেখ থাকে, যেনে— ভাল দিন বা শুভ মুহূৰ্তত বিবাহ সম্পন্ন কৰা, বামুণৰ দ্বাৰা বিবাহ সম্পন্ন কৰা ইত্যাদি। বিয়ানামত ৰঙীণ শব্দ, হাঁহি-ধেমালি দেখা যায়। ইয়াৰ দ্বাৰা মানসিক বন্ধন দৃঢ় কৰা হয়। বিশ্বাস কৰা হয় যে, বিয়ানামত ভাল কথা গোৱা হ'লে বিবাহিত জীৱন সুখী হয়। কিছু বিয়ানামত 'মন্ত্ৰ' সদৃশ কথা থাকে যিয়ে বিশ্বাস কৰা হয় যে কইনাক অশুভ শক্তিৰ পৰা ৰক্ষা কৰে। বিয়ানামৰ মাধ্যমেৰে আয়তীসকলে পুৰুষক নীতিৰ বাট দেখুৱায়, যে কইনাক কষ্ট নিদিয়ে।

বিয়ানাম কেৱল এটি গীত নহয়, ই হৈছে অসমৰ লোক-সংস্কৃতিৰ এক জীৱন্ত দলিল। ইয়াৰ মাজেৰে অসমীয়া সমাজৰ লৌকিক চিন্তা, আচাৰ-অনুষ্ঠান আৰু বিশ্বাসৰ প্ৰতিফলন দেখা যায়। যুগে যুগে এই পৰম্পৰা যেন অটুট থাকক, এয়ে হৈছে আমাৰ কামনা।

## ৩.০২ বিয়ানামত নাৰীমন ঃ

অসমীয়া বিবাহ উৎসৱৰ বিভিন্ন উপলক্ষত গোৱা জোৰোণ দিয়া, পানী তোলা, সুৱাগুৰি তোলা, দৰা-কইনাক গা ধুওৱা, গাঠিয়ন খুন্দা আদি গীতবোৰত স্মৃতি শাস্ত্ৰৰ নীতিৰ দ্বাৰা সংযত পৱিত্ৰ মিলনৰ সুৰ শুনিবলৈ পোৱা যায়। বিয়ানামত লুকাই আছে অসমীয়া নাৰীৰ জীৱনৰ সুখ-দুখ, হাঁহি-কান্দোন, আনন্দ-স্ফূৰ্তি, মিলন-বিচ্ছেদ আদি নানান কথাবোৰ। নাৰী হৃদয়ৰ এক সুকোমল মিঠা বেদনাৰ সুৰৰ সৈতে অসমীয়া সমাজলৈ নাৰীৰ অৱদান আৰু গুৰুত্বতাকে সাঙুৰি নাৰীৰ মনৰ ভাৱ, প্ৰতিবাদ, চেতনা আদি সোণসেৰীয়া হৈ এই নামত জিলিকি আছে। যি কেৱল নাৰীৰে সৃষ্টি। সত্যেন্দ্ৰনাথ শৰ্মাদেৱৰ ভাষাৰে 'দাম্পত্য জীৱনৰ আদৰ্শ, বৰ কন্যাৰ ৰূপ-যৌৱন, উলিয়াই দিবলৈ ধৰা কন্যাৰ আসন্ন বিচ্ছেদৰ কাৰুণ্য, নাৰী জীৱনৰ আশা, আকাংক্ষা আৰু ঘৰুৱা চিত্ৰ সুন্দৰ প্ৰকাশ বিয়ানামবোৰত লক্ষ্য কৰা যায় কল্পনা আৰু উপমাৰ নিদৰ্শন। উদাহৰণস্বৰূপে—

চোতালত কান্দিলে চোতালৰ পৰুৱাই ঐ ৰাম
চোতাল সাৰি দিব কোনে,
বৰঘৰত কান্দিলে তোমাৰ মা-দেউতাৰাই ঐ ৰাম
ভাতে বাঢ়ি দিব কোনে হে।।

ঘৰৰ আগফালে থকা বহলকৈ এডোখৰ ঠাই যাক চোতাল বুলি কোৰা হয় আৰু ভাত ৰান্ধিবলৈ ব্যৱহাৰ কৰা ঠাইখনক বৰঘৰ বা পাকঘৰ বোলা হয়। এই নামৰ যোগেদি অসমীয়া লোকসংস্কৃতিত ব্যৱহৃত গাঁৱলীয়া কিছুমান নামৰ সৈতে ছোৱালী এজনীৰ দৈনন্দিন জীৱনক তুলি ধৰিছে। নাৰী মনেই সৃষ্টি আৰু এই সৃষ্টিয়েই প্ৰকৃতি। বিয়ানামৰ মাজেৰে অসমৰ মনোৰম প্ৰকৃতিৰ বিভিন্ন উপাদান ফুল-ফল, লতা, নদী, ব্ৰহ্মপুত্ৰ আদিৰ কথা উল্লেখ পোৱা যায়। প্ৰকৃতিৰ বিভিন্ন ৰূপৰ সৈতে নাৰী জীৱন এনেদৰে প্ৰকাশ পাইছে।

শৰাইয়ে শৰাইয়ে কাঞ্চন ফুল গাঁঠিছে
আইদেউৰ খোপালৈ চাই।
সেউজী পিন্ধিছে মালতী পিন্ধিছে
পিন্ধিছে খৰিকাজাঁই।।

বিয়ানামৰ মাজত জিলিকি উঠা নাৰী প্ৰাণৰ আকৰ্ষণীয়তা আৰু সৌন্দৰ্যপ্ৰিয়তা মন কৰিবলগীয়া। দৰা-কইনাক নোৱাবলৈ পানী তুলিবলৈ যাওঁতে আয়তীসকলে মধুৰ কল্পনাৰে গায়—

ওলাই আহা শশী প্ৰভা
ঐ শশী ৰজাৰ মহাদৈ
শুভক্ষণে যাত্ৰা কৰি ঐ শশী
জলে আনোগৈ।।

বিয়ানামৰ যোগেদি নাৰীমনৰ শান্ত, নম্ৰ আৰু মংগল কামনাৰ ৰূপটোও প্ৰকাশিত হয়। ঘৰখনৰ বাবে তাৰোপৰি সমাজৰ হিতৰ বাবে এৰাধৰা কৰিব পৰাটো নাৰীৰ এক সহজাত প্ৰবৃত্তি। তেনে এক ভাৱৰৰ পৰিস্ফূট হয় এটি নামত এনেদৰে —

চোতালৰ আগতে গধূলি গোপাল
বাইদেৱে ভাবিছে কিনো মোৰ কপাল
লোকৰ ঘৰ এখনি কেনেকৈ চাম
মা-দেউতাক এৰি থৈ কেনেকৈ যাম।
যাব যে লাগিব বিধিৰে লিখন
পালিব লাগিব নাৰীৰে জীৱন।।

অসমীয়া নাৰী জীৱনত তাঁতশালখন অপৰিহাৰ্য অংগ। তাঁতশালক এৰি আলোচনা কৰিলে এই নাৰীৰ জীৱন আধৰুৱা হৈ ৰ'ব।

বৰঘৰত কান্দিলে মাকে ঐ

মাৰলত কান্দিলে ভনীয়ে ঐ

বাৰীৰ পিছফালে কানো তাঁতৰ শালে

আইদেউক বিয়া দিব শুনি হে

বিয়ানামত অসমীয়া নাৰীৰ জীৱন প্ৰাচীনৰ পৰা বৰ্তমানলৈ প্ৰধানৰ পৰা নবীনলৈ প্ৰায়সংখ্যক লোকগীততে বিভিন্ন ৰূপত নাৰীৰ চিত্ৰণেৰে অসমীয়া গীতক অলংকৃত কৰাৰ লগতে নিজৰ সৃষ্টি কৰ্মক সুন্দৰ সজাই তুলিছিল এই নাৰীয়ে।

## ৪.০০ সাম্প্ৰতিক প্ৰেক্ষাপটত বিয়ানামৰ ভূমিকা ঃ

বৰ্তমান অসমীয়া সমাজত বিয়ানামৰ স্থান কিছু পৰিমাণে সলনি হৈছে, যদিও ইয়াৰ গুৰুত্ব অটুট আছে। বিয়ানাম হৈছে অসমীয়া বিবাহ অনুষ্ঠানৰ এক অবিচ্ছেদ্য অংগ, য'ত আয়তীসকলে মাংগলিক গীত গাই আনন্দ প্ৰকাশ কৰে। পূৰ্বৰ দৰে এতিয়া সকলোৱে বিয়াত বিয়ানাম গোৱা পৰম্পৰা পালন নকৰে, তথাপিও বহু পৰিয়ালত ই এক গুৰুত্বপূৰ্ণ ৰীতি হিচাপে চলি আহিছে। কিছুমান বিবাহ অনুষ্ঠানত বিয়ানামৰ সলনি আধুনিক সংগীত ব্যৱহাৰ কৰা দেখা যায়। ইয়াৰ উপৰিও বৰ্তমান সমাজত বিয়ানামৰ এক বিশেষ ভূমিকা আছে। বিয়ানাম হৈছে অসমীয়া বিবাহ অনুষ্ঠানত আয়তীসকলে গোৱা মাংগলিক গীত। ই এক লোক সাহিত্যৰ অমূল্য সম্পদ। এই গীতবোৰৰ জৰিয়তে বিবাহ অনুষ্ঠানটো আনন্দ-উল্লাসময় কৰি তোলাৰ লগতে বিভিন্ন পৰম্পৰাগত ৰীতি-নীতি পালন কৰা হয়। এই বিয়ানামবোৰে সাম্প্ৰতিক প্ৰেক্ষাপটত সমাজত সম্পৰ্কবোৰ অধিক সুদৃঢ় কৰে আৰু ব্যক্তিৰ মাজত ঐক্য স্থাপন কৰে। বিয়ানামবোৰে অসমীয়া সমাজৰ ঐতিহ্য আৰু সংস্কৃতি সংৰক্ষণ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

বৰ্তমান সমাজত বিয়ানাম অথবা বিয়া অনুষ্ঠানৰ এক গুৰুত্বপূৰ্ণ সামাজিক আৰু সাংস্কৃতিক ভূমিকা আছে। ইয়াৰ ভূমিকা কেইটামান দিশত উল্লেখযোগ্য —

- **সামাজিক বন্ধন গঢ়ি তোলে ঃ**

বিয়ানামৰ জৰিয়তে দুই ব্যক্তিৰ সৈতে দুই পৰিয়াল, সমাজ আৰু সম্প্ৰদায়ৰ মাজত এক নৱ সম্পৰ্ক স্থাপন হয়। ই সামাজিক সম্প্ৰীতি আৰু সহযোগিতা বৃদ্ধি কৰি দিয়ে।

- **সাংস্কৃতিক পৰম্পৰা ৰক্ষা ঃ**

প্ৰত্যেক জাতি জনগোষ্ঠীৰ নিজৰ বিবাহ সম্বন্ধীয় আচাৰ-অনুষ্ঠান থাকে। বিয়ানাম সেই সাংস্কৃতিক পৰম্পৰা, ৰীতি-নীতি, সংগীত, পৰিধান আদিৰ সংৰক্ষণ আৰু প্ৰচাৰৰ অন্যতম মাধ্যম।

- **আনন্দ আৰু মিলনৰ ক্ষেত্ৰ ঃ**

বিয়ানাম হৈছে এক উৎসৱ, য'ত আত্মীয় স্বজন, বন্ধু-বান্ধৱে মিলি আনন্দ উপভোগ কৰে। ই মানসিক সান্নিধ্য আৰু সমাজৰ মাজত একতা বঢ়ায়।

- **অৰ্থনৈতিক দিশ ঃ**

বিয়ানামৰ বহুতো ব্যৱসায়, খাদ্য, সাজ-পোছাক, সাজসজ্জা, ফটোগ্ৰাফী আদিৰ জড়িত থাকে। এইবোৰৰ জৰিয়তে বহুলোকৰ জীৱিকাৰ সংস্থাপনো হয়।

- **নৈতিক আৰু সামাজিক দায়িত্ব ঃ**

বিয়ানাম হৈছে এটা সামাজিক চুক্তি, যাৰ জৰিয়তে স্বামী-স্ত্ৰী দুয়োৱে পৰস্পৰৰ প্ৰতি দায়িত্ব পালন কৰে। সমাজেও তেওঁলোকক এটা স্থায়ী পৰিয়াল গঠন কৰাৰ মান্যতা দিয়ে।

- **নতুন জীৱনৰ আৰম্ভণি ঃ**

বিয়ানামে এক নতুন জীৱনৰ আৰম্ভণি সূচিত কৰে। ই মানসিক, আত্মিক আৰু সামাজিক ৰূপত এটি পূৰ্ণাংগ পৰিয়াল গঠনৰ সূচনা হয়।

বিয়ানাম কেৱল দুজন ব্যক্তিৰ মিলন নহয়, ই এক বৃহৎ সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক পৰিঘটনা। বৰ্তমান যুগত যদিও কেতিয়াবা একে লিংগ বিয়া, লাভ মেৰেজ, ইণ্টাৰকাষ্ট বিয়াৰ দৰে নতুন ধাৰাও দেখা যায়। তথাপি বিয়ানামে সমাজত এক ঐতিহ্যবাহী আৰু অদল-বদল নহয় তেনেকুৱা এক দায়িত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে।

## উপসংহাৰ ঃ

বিয়ানাম কেৱল এটি লোকগীত নহয়, ই অসমীয়া সাহিত্যৰ এক বৌদ্ধিক আৰু সাংস্কৃতিক সম্পদ। ইয়াৰ ভিতৰত ব্যংগ, বিদ্ৰূপ, উপমা, অলংকাৰ, ছন্দ, পুনৰুক্তি আদি বহুতো সাহিত্যিক গুণৰ সন্নিৱেশ দেখা যায়। গীতৰ শৈলীত কাব্যিক কোমলতা, উচ্ছল ধেমালিৰে ভৰা জীৱন্ত ছবি প্ৰতিফলিত হয়।

বিয়ানামৰ ভাষা সাধাৰণ হ'লেও তাৰ মাধুৰ্য, বুদ্ধিমত্তা আৰু হৃদয়স্পৰ্শী ভাৱ-বিষয়ত ইয়াক অনন্য সাহিত্য ৰূপত প্ৰতিষ্ঠা দিয়ে। এই গীতসমূহত দেখা যায় জীৱনৰ বাস্তৱতা, লোকাচাৰ আৰু সামাজিক সম্পৰ্কৰ এক কাব্যিক অনুবাদ, যি মানুহৰ অন্তৰলৈ প্ৰৱাহিত হয়।

সঁচাকৈয়ে, বিয়ানামত অসমৰ সাহিত্যিক ঐতিহ্যৰ এক উজ্জ্বল পৰিচয় বহন কৰে। যি মৌখিক সাহিত্যৰ ৰূপত হ'লেও কালজয়ী আৰু মৰমৰ ৰূপত অক্ষয় হৈ ৰৈছে।

## সিদ্ধান্ত ঃ

সাহিত্য অলংকাৰ আৰু ভাষাৰ মাধুৰ্য ঃ বিয়ানামত উপমা, উৎপ্ৰেক্ষা, অনুপ্ৰাস, পুনৰুক্তি আদি অলংকাৰৰ দক্ষ ব্যৱহাৰে গীতসমূহক সাহিত্যিক দৃষ্টিৰে অনন্য আৰু হৃদয়গ্ৰাহী কৰি তোলে। ইয়াৰ ভাষা সহজ হ'লেও কাব্যিক সৌন্দৰ্য অতুলনীয়।

চিন্তা, অনুভূতি আৰু ধেমালিৰ সাহিত্যিক সমন্বয় ঃ বিয়ানামত সমাজবোধ, ব্যংগ-বিদ্ৰূপ, প্ৰেম, বিষাদ, আশা-আনন্দ আদি মানৱীয় অনুভূতিৰ কাব্যিক প্ৰকাশ ঘটে।

লোকসাহিত্যৰ মূল্যবান অংশ হিচাপে বিয়ানামৰ স্বীকৃতি ঃ বিয়ানাম কেৱল লোকাচাৰ নহয়, ই এক সাহিত্যিক ঐতিহ্য। মৌখিক সাহিত্যৰ অন্যতম উদাহৰণ হিচাপে ইয়াক সংৰক্ষণ আৰু অধ্যয়নৰ এক সৃষ্টিশীল ৰূপত গণ্য কৰা যায়।

## সহায়ক গ্ৰন্থপঞ্জী


গগৈ, লীলা ঃ 'অসমীয়া লোক সাহিত্যৰ ৰূপৰেখা'; দ্বিতীয় সংস্কৰণ, ২০০৮ চন, বনলতা প্ৰকাশন, ডিব্ৰুগড়-১

নেওগ, মহেশ্বৰ ঃ 'অসমীয়া সাহিত্যৰ ৰূপৰেখা'; নৱম তাঙৰণ, আগষ্ট ২০০৯ চন, ড° মহেশ্বৰ নেওগ প্ৰকাশন ন্যাস

নেওগ, মহেশ্বৰ ঃ 'অসমীয়া গীতি সাহিত্য'; পঞ্চম প্ৰকাশ, ডিচেম্বৰ ২০২১ চন, চন্দ্ৰ প্ৰকাশ, পাণবজাৰ, গুৱাহাটী-১

নাথ, প্ৰফুল্ল কুমাৰ ঃ 'অসমৰ লোকজীৱন আৰু সংস্কৃতি'; প্ৰথম প্ৰকাশ, চেপ্তেম্বৰ ২০১১, এন.এল. পাব্লিকেশ্বনছ্, আনন্দৰাম বৰুৱা পথ, পাণবজাৰ, গুৱাহাটী

বৰদলৈ, নিৰ্মলপ্ৰভা ঃ 'অসমৰ লোকসংস্কৃতি'; পুনৰ মুদ্ৰণ, মে' ২০০৪, মুদ্ৰক ঃ অজন্তা প্ৰিণ্টাৰ্ছ, ৬১, সূৰ্যসেন পথ, কলকাতা-৭০০০০৯

শৰ্মা, হেমন্ত কুমাৰ ঃ 'অসমীয়া লোকগীতি সঞ্চয়ন'; চতুৰ্থ সংস্কৰণ, ২০০৬, মুদ্ৰক ঃ অজন্তা প্ৰিণ্টাৰ্ছ, ৬১, সূৰ্যসেন পথ, কলকাতা-৭০০০০৯

শৰ্মা, শশী ঃ 'অসমৰ লোকসাহিত্য'; তৃতীয় সংস্কৰণ, চেপ্তেম্বৰ ২০১৬, ষ্টুডেণ্টচ্ ষ্ট'ৰচ্, কলেজ হোষ্টেল ৰোড, গুৱাহাটী-৭৮১০০১

**পৰিশিষ্ট ঃ**

## তথ্যদাতাৰ তালিকা

| ক্ৰমিক নং | নাম | বয়স | ঠিকনা |
|---|---|---|---|
| ১। | মনু চাংমাই | ৪৫ | বৰহাট, চৰাইদেউ |
| ২। | গুণপ্ৰভা গগৈ | ৫৫ | বৰহাট, চৰাইদেউ |
| ৩। | জোনালী কাকতি | ৫৬ | বৰহাট, চৰাইদেউ |
| ৪। | কুঞ্জলতা হাজৰিকা | ৭০ | বৰহাট, চৰাইদেউ |
| ৫। | ৰুনুমী গগৈ | ৫০ | বৰহাট, চৰাইদেউ |
| ৬। | ভাৰতী বৰা | ৪০ | বৰহাট, চৰাইদেউ |
| ৭। | কল্পনা তামুলী | ৬০ | বৰহাট, চৰাইদেউ |